**নং ঃ ৯৬/২০২০**

# বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু প্ৰবীণ গান্ধীবাদী নেত্ৰী হেম ভৰালীৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৯ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ ভঙাগড়স্থিত নেমকেয়াৰ হাস্পতালত উপস্থিত হৈ তাত চিকিৎসাধীন হৈ থকা বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্বাস্থ্যৰ বুজ লয়। আজি দুপৰীয়া নতুন দিল্লীৰ পৰা গুৱাহাটীত উপস্থিত হৈয়েই তেওঁ বিমানবন্দৰৰ পৰা বাহিৰে বাহিৰে চিকিৎসালয়খনত উপস্থিত হয় আৰু আই চি ইউত চিকিৎসাধীন হৈ থকা বিশিষ্ট কণ্ঠশিল্পীগৰাকীৰ স্বাস্থ্যৰ খবৰ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱা প্ৰমুখ্যে অন্যান্য চিকিৎসকসকলৰ সৈতেও শিল্পীগৰাকীৰ চিকিৎসা ব্যৱস্থাৰ বিষয়ে আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে ৰাইজৰ মৰমৰ শিল্পীগৰাকীৰ আশু আৰোগ্যৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু অতি সোনকালেই আৰোগ্য হৈ নিজৰ সৃষ্টিশীল কৰ্মৰাজি আগুৱাই নিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখ্য যে কালি বিশেষ কাৰ্যসূচীৰ বাবে গুজৰাটত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে ফোনযোগেই চিকিৎসকৰ পৰা জুবিন গাৰ্গৰ স্বাস্থ্যৰ খবৰ লৈছিল।

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি নেমকেয়াৰ হাস্পতালতে চিকিৎসাধীন হৈ থকা শতায়ু গৰকা প্ৰবীণ স্বাধীনতা সংগ্ৰামী তথা বিশিষ্ট গান্ধীবাদী নেত্ৰী পদ্মশ্ৰী হেম ভৰালীৰো স্বাস্থ্যৰো বুজ লয়। ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীৰ লগত মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীও উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**২৯/০২/২০২০**